Mahesh Chandra Dev Goswami Library
Acc. No.............
Date...............
Sonapur Girls' College

**2016**

# ASSAMESE

( Major )

Paper : 5.2

( পুৰণি অসমীয়া কথাসাহিত্য )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠ্যাংশত থকা গীতটোৰ ৰাগ কি?

(খ) 'কথাগীতা'ৰ প্ৰথম অধ্যায়ৰ শেষত লেখকে অধ্যায়টোৰ নাম কি বুলি উল্লেখ কৰিছে?

(গ) 'গুৰু-সেৱা মাহাত্ম্য'ত কোনজন গুৰুতকৈ 'অধিক সেব্য' নাই বুলি কোৱা হৈছে?

(ঘ) অমৰসাগৰ দীঘী কি?

(ঙ) ৰুদ্ৰসিংহৰ দিনত কছাৰী ৰাজ্যৰ ৰজা কোন আছিল?

(চ) ব্ৰাউন চাহাবৰ পত্ৰত উল্লেখ থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'প্ৰেচিদেন্ত' বা ৰাষ্ট্ৰপতিজনৰ নাম কি?

(ছ) 'কথা ৰামায়ণ'ৰ বাহিৰে ৰঘুনাথ মহন্তই ৰচনা কৰা আন এখন ৰামায়ণ-কেন্দ্ৰিক গ্ৰন্থৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) কৃষ্ণ আৰু বেদনিধিৰ সৈতে দ্বাৰকাৰ পৰা বিদৰ্ভলৈ যোৱা আন দুজন ব্যক্তিৰ নাম লিখা।

(খ) "বিধাতাৰ নিৰ্ম্মাণ পৰ্ব্বত, তাক যেন খহালি এতেকেহে নৰবিয়া পবিলি।" কথাষাৰৰ অন্তৰালৰ ঘটনাটো চমুকৈ উল্লেখ কৰা।

(গ) "সতিনীৰ চেড়ীতো অধিক ভৈলি।" কোনে, কাক কৈছিল?

(ঘ) 'ত্ৰিপুৰা বুৰঞ্জী'ৰ লেখকদ্বয়ৰ নাম লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) "অস্ত্ৰ-শস্ত্ৰ, আহিলা-পাতি সমস্তো জড়, স্বৰ্গদেৱৰ বন্দী-বেটাহে চেতনা।" কথাষাৰ কোনে, কাক কৈছে? ইয়াৰ অন্তৰালৰ ঘটনাক্ৰম লিখি কথাফাঁকিৰ অৰ্থ বুজাই লিখা।

(খ) ব্ৰাউন চাহাবৰ পত্ৰত আমেৰিকাৰ সমসাময়িক ঘটনাপ্ৰৱাহৰ বিষয়ে কি কি কথাৰ উল্লেখ আছে, লিখা।

(গ) 'গুৰু-সেৱা মাহাত্ম্য'ৰ প্ৰাৰম্ভত গোপালচৰণ দ্বিজে নিজৰ পৰিচয় দাঙি ধৰি কোৱা কথাখিনিৰ লগতে শংকৰদেৱৰ দ্বাৰা 'ভক্তি-ৰত্নাকৰ' গ্ৰন্থ ৰচিত হোৱাৰ অন্তৰালত থকা অভিপ্ৰায় সম্পৰ্কে কৈ যোৱা কথাখিনি বৰ্ণনা কৰা।





(ঘ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' অধ্যায়ৰ আধাৰত কৃষ্ণৰ চৰিত্ৰৰ বিভিন্ন দিশসমূহ চমুকৈ আলোচনা কৰা।

(ঙ) অসমীয়া গদ্য-সাহিত্যৰ বিকাশলৈ ব্ৰাউনকে ধৰি মিচনেৰী লেখকসকলৰ অৱদানৰ বিষয়ে লিখা।

৪। (ক) যুদ্ধৰ প্ৰতিপক্ষ ৰূপে আত্মীয়-স্বজনক দেখি হাতৰ অস্ত্ৰ পেলাই দিয়া অৰ্জুনক কৃষ্ণই কি কি কথা কৈ যুদ্ধৰ প্ৰতি প্ৰবোচিত কৰিছে, লিখা। ১০

*নাইবা*

'কথাগীতা'ৰ তোমাৰ পাঠ্যাংশৰ আলমত ভট্টদেৱৰ গদ্যৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা যুগুত কৰা। ১০

(খ) 'ৰামৰ বন গমন' পাঠত থকা নাৰী আৰু পুৰুষ চৰিত্ৰ-কেইটাৰ তুলনাত্মক আলোচনা আগবঢ়োৱা। ১০

*নাইবা*

অসমীয়া গদ্য সাহিত্যৰ বিকাশত 'ত্ৰিপুৰা বুৰঞ্জী'ৰ স্থান সম্পৰ্কে এটি আলচ আগবঢ়োৱা। ১০

(গ) 'তুংখুঙীয়া বুৰঞ্জী'ৰ আলমত ৰুদ্ৰসিংহৰ সামৰিক অভিযান-কেইটাৰ বৰ্ণনা দিয়া। ১০

*নাইবা*

ত্ৰিপুৰাৰ মদন পূজাৰ সময়ত হোৱা ৰং-আনন্দ আৰু আন কাৰ্যকলাপৰ বিষয়ে লিখা। ১০

★★★